بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**বদৰৰ যুদ্ধৰ উদ্ধৃতিত আঁহজৰত (ছাঃ)ৰ জীৱনী আৰু ইতিহাসৰ ঈমান বৰ্দ্ধক ঘটনাৱলী**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২২ চেপ্তেম্বৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে কিছু দিন আগতে বদৰৰ যুদ্ধৰ সময়ত আঁহজৰত (ছাঃ)ৰ ঘটনাৱলী উল্লেখ কৰা হৈছিল। আজি বদৰৰ যুদ্ধৰ উদ্ধৃতিত কিছু ঘটনাৱলী উত্থাপন কৰিম যাৰ উল্লেখ ইতিহাসত পোৱা যায়। সেই বিষয়ে অৱগত হোৱা অৱশ্যই জৰুৰী। যিদৰে মই প্ৰথম খোতবাত উল্লেখ কৰিছিলো যে তেখেত (ছাঃ)য়ে তিনি দিন বদৰৰ ময়দানত অৱস্থান কৰিছিল। তৃতীয় দিনা তেখেত (ছাঃ)য়ে আৰোহণ কৰিবলৈ কৈছিল।

বদৰৰ ময়দানতেই তেখেত (ছাঃ)য়ে হজৰত আব্দুল্লাহ বিন ৰাবাহা (ৰাঃ) আৰু হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ক মদিনাৰ ফালে বদৰ যুদ্ধত বিজয় হোৱাৰ শুভ সংবাদ দি প্ৰেৰণ কৰিছিল। তাৰ পিছত তেখেত (ছাঃ)য়ে মদিনাৰ ফালে উভতি যোৱাৰ বাবে যাত্ৰা আৰম্ভ কৰে।

এই বিজয় লাভ কৰা দলৰ সৈতে মক্কাৰ কুৰাইশ সকলৰ সত্তৰ জন কয়েদীও আছিল। ইতিহাসৰ পৰা জনা যায় যে তাৰ মাজত দুজন কয়েদী নাজৰ বিন হাৰিছ আৰু উকবা বিন আবি মুয়িত যুদ্ধৰ অস্ত্ৰৰ দ্বাৰা বাটতেই হত্যা কৰা হৈছিল। কিন্তু ইয়াৰ ওপৰত সমগ্ৰ ইতিহাসবিদ সকলৰ ঐক্যমত নাছিল। আল্লামা ইবনে ইছহাকে কৈছে যে যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে ছাফৰালৈ গৈ পাইছিল তেতিয়া নাজৰ বিন হাৰিছক হজৰত আলী (ৰাঃ)য়ে হত্যা কৰিছিল। তেওঁৰ ভনীয়ে নিজৰ ভাইৰ মৃত্যুত কিছু কবিতা পাঠ কৰিছিল। ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া সেই কবিতা সমূহ শুনিবলৈ পায় তেতিয়া বহুত কান্দিছিল আৰু কৈছিল যে যদি এই কবিতা সমূহ নাজৰ হত্যা হোৱাৰ আগতেই মোলৈ আহি পালে হয় তেতিয়া মই তেওঁক ক্ষমা কৰি দিলো হয়। ছিৰত নিগাৰে ইয়াক ৰদ কৰিছে ইয়াৰ বাহিৰেও আন কিছু ইতিহাসেও ইয়াক ৰদ কৰিছে। আল্লাহ তা'লা উত্তম জানে।

হজৰত মির্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰত খাতামান নাবিঈনত উল্লেখ কৰিছে যে কিছুমান ইতিহাসবিদ সকলে কয়েদী সকলৰ মাজৰ নেতা আকবা বিন আবি মুয়িতৰ কথা উল্লেখ কৰিছে আৰু লিখিছে যে তেওঁক কয়েদী অৱস্থাত হত্যা কৰা হৈছিল কিন্তু এয়া শুদ্ধ নহয়। হাদীছ আৰু ইতিহাসৰ পৰা সুস্পষ্ট ভাৱে এয়া উল্লেখ পোৱা যায় যে আকবা বিন আবি মুয়িত যুদ্ধ ময়দানত হত্যা কৰা হৈছিল। সেই মক্কাৰ মুখীয়াল সকলৰ মাজৰ আছিল যাৰ মৃত দেহ এটা গাতত দফন কৰা হৈছিল। কিন্তু নাজৰ বিন হাৰিছৰ হত্যা হোৱাটো বেছিভাগ বর্ণনাৰ পৰা প্ৰকাশ পোৱা যায়; তেওঁক হত্যা কৰাৰ কাৰণ আছিল তেওঁ সেই সকল লোকৰ মাজৰ আছিল যিয়ে মক্কাৰ অধিক সংখ্যক নির্দোষ মুছলমানক পোনপটীয়াকৈ হত্যা কৰিছিল। এয়া বিশ্বাসনীয় যে যদি কোনো ব্যক্তি হত্যা হৈছিল সেইজন নাজৰ বিন হাৰিছেই আছিল যিজন কাচচত হত্যা হৈছিল।

বদৰৰ যুদ্ধত পৌত্তলিক সকলৰ ডাঙৰ ডাঙৰ নেতা সহকাৰে সত্তৰ জন কাফিৰে প্ৰাণ হেৰুৱাইছিল; আৰু সত্তৰ জনক কয়েদী বনাই লোৱা হৈছিল। ছহী বুখাৰীত আছে যে নবী কৰিম (ছাঃ)আৰু তেখেত (ছাঃ)ৰ চাহাবা সকলে বদৰৰ দিনা ১৪০ (এক শ চল্লিছ) জন মানুহৰ ক্ষতি কৰিছিল তাৰ মাজত সত্তৰ জনক হত্যা কৰা হৈছিল আৰু সত্তৰ জনক কয়েদী বনাই লোৱা হৈছিল।

চাহাবা সকলে সেই কয়েদী সকলৰ সৈতে ভাল আচৰণ কৰিছিল আৰু তাৰ মাজত কিছুমান কয়েদী এনেকুৱা আছিল যিসকলে ইছলামৰ শিক্ষাৰ আৰু চাহাবা সকলৰ আচৰণ চাই মুছলমান হৈ গৈছিল। তাৰ মাজৰ কিছুমানৰ নাম উল্লেখ কৰা হ'ল। আববাছ বিব আব্দুল মুতালিব, আকিল বিন আবি তালিব,নওফল বিন হাৰিছ, আবুল আচ বিন ৰাবি, আবু আজিজ, খালিদ বিন হিশাম, আবু বিদাআ বিন ছহমী, আব্দুল্লাহ বিন আবি বিন খালফ জমহী, ওহব বিন উমেয়ৰ জমহী, ছুহেল বিন উমৰু আমিৰী। ইহঁত সকলোৱে নিজৰ ফিদিয়া (প্ৰায়শ্চিত) আদায় কৰি ইছলাম গ্ৰহণ কৰিছিল।

বদৰৰ যুদ্ধৰ সৈতে ৰোমৰ শাসনৰ বিজয় লাভ কৰাৰ সম্পর্কও আছে। ৰোমৰ শাসন সম্বন্ধে আঁহজৰত (ছাঃ)য়ে ভৱিষ্যদ্বাণী কৰিছিল এইটোৰ সম্বন্ধ বদৰৰ যুদ্ধৰ সৈতে আছিল। সেই কাৰণে এই সম্বন্ধে ইয়াত বর্ণনা কৰা প্ৰয়োজনবোধ বুলি ভাৱো। নবুয়তৰ পঞ্চম বছৰ ছুৰা ৰুম অৱতীর্ণ হয় য'ত ৰোম শাসনৰ বিজয় লাভ সম্বন্ধে ভৱিষ্যদ্বাণী কৰা হৈছিল। যেতিয়া এই ছুৰাৰ প্ৰাৰম্ভিক আয়াত সমূহ অৱতীর্ণ হয় তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে মক্কাৰ চাৰিওফালে এই আয়াত সমূহ পাঠ কৰি ঘোষণা কৰিছিল যে, **গুলিবাতিৰ ৰুম ফি আদনাল আৰজি ওৱা হুম মিম বাআদি গালাবিহিম ছাইয়াগলিবুন, ফি বিজয়ি ছিনিনা** অর্থাৎ মই আল্লাহ সকলোতকৈ বেছি জ্ঞানী। ৰোম কাষতীয়া শাসনৰ পৰা পৰাজয় হ'ব। পৰাজয় হোৱাৰ পিছত আকৌ বিজয় লাভ কৰিব। তিনি বছৰৰ পৰা লৈ ন বছৰ লৈকে। ছহী বুখাৰীত বর্ণিত আছে যে ফাৰিছ আৰু ৰোমৰ সৈতে যুদ্ধ সংঘটিত হয় তেতিয়া মুছলমান সকলে ৰোম বিজয় হোৱাটোক পছন্দ কৰিছিল; কাৰণ সিহঁতে আহলে কিতাব (ইহুদী আৰু ঈছাই)আছিল। কিন্তু কুৰাইশ কাফিৰ সকলে ফাৰিছৰ বিজয় হোৱাটোকে পছন্দ কৰিছিল কাৰণ সিহঁত মজুছি (অগ্নি পুজাৰী) আছিল। এই কথাৰ ওপৰত হজৰত আবু বক্কৰ (ৰাঃ)আৰু আবু জেহেলৰ মাজত চর্ত ৰাখি দিলে; পাঁচ বছৰ সময় কাল। তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে কয় যে তাতে **বিজাআ** শব্দ আছে আৰু বিজাআ ন বছৰ বা সাত বছৰৰ বাবে প্ৰয়োগ কৰা হয়। গতিকে সময় কাল বঢ়াই দিয়া। তাৰ পিছত সিহঁতে এনেকুৱাই কৰিলে। অর্থাৎ ৰোম পৰাজয় হৈ গ'ল। শ্বাবয়ীয়ে কৈছে যে সেই সময়ত চর্তাৱলী বৈধ আছিল।

আঁহজৰত (ছাঃ)য়ে যি ঘটনাৱলীৰ বিষয়ে ভৱিষ্যদ্বাণী কৰিছিল তাতে সুস্পষ্ট ভাৱে ৰোম পৰাজয়ৰ ভৱিষ্যদ্বাণী আছিল। আৰবৰ দুয়ো প্ৰান্তত ফাৰিছ আৰু ৰোমৰ শাসন আছিল। উভয়ৰ মাজত দীৰ্ঘ সময়ৰে পৰা বিবাদ আছিল। নবী আগমনৰ পঞ্চম বছৰ অৰ্থাৎ ৬১৪ খ্ৰীষ্টাব্দত দুয়ো দেশৰ মাজত তেজৰ নৈ বৈ যোৱা যুদ্ধ সংঘটিত হয়। ৰোমৰ শাসন ভাঙি পৰিল। সিহঁতৰ আশাৰ বিপৰীত ফলাফল ওলায়। তেতিয়া কাফিৰ সকলে মুছলমান সকলক ঠাট্টা কৰি কৰি ক'ব ধৰিলে যে যদি তোমালোকে আমাৰ সৈতে যুদ্ধ কৰিলে হয় তেতিয়া আমি বিজয় লাভ কৰিলে হয়; তেতিয়া ৰোমৰ অৱস্থা ভয়াবহ আছিল। ধন-সম্পদ অৰ্থাৎ আৰ্থিক ফালৰ পৰা শূন্য আছিল। সেনা সকল বিচ্ছিন্ন হৈ পৰিছিল। দেশৰ মাজত হিংসা বিদ্বেষ বৃদ্ধি পাইছিল। হৰকল এনেকুৱা ভ্ৰষ্টাচাৰ বাদশাহ আছিল যাৰ প্ৰতি মানুহৰ মনোযোগ আকৰ্ষণ নাইকিয়া হৈ পৰিছিল। ৰোমী সকলৰ বাবে যি আদায় কৰাৰ চৰ্তাৱলী আছিল সেয়া বৰ লাজকীয় আছিল। সেয়া আছিল সোণ,ৰূপ, ৰেশম আৰু এহেজাৰ গাভৰু ছোৱালী সিহঁতৰ অধীনস্থ কৰিবলগীয়া হৈছিল। ৰোমী সকলৰ অৱস্থা এনেকুৱা আছিল যে সিহঁতে এই চৰ্ত মানি ল'বলৈ বাধ্য হৈ পৰিছিল। ইৰাণৰ অহংকাৰী বাদশাহ খছৰুয়ে কৈছিল যে মোক এইবোৰ নালাগে কেৱল হৰকলক শিকলীৰে বান্ধি মোৰ শাসনৰ অধীনস্থ কৰা উচিত আৰু যদি তেওঁ সূৰ্যৰ আগত নতশীৰ হয় তেতিয়া সন্ধি গ্ৰহণ কৰি লোৱা হ'ব।

লিখকে এয়া লিখিছে যে পৃথিৱীৰ এনেকুৱা দৃশ্য আছিল যে যুদ্ধ সংঘটিত হোৱাৰ অনেক দূৰ শুষ্ক আৰু মৰুভূমিত এখন পাহাৰৰ পৰা এজন শান্তি প্ৰতিষ্ঠাকাৰীৰ আগমন ঘটে আৰু তেখেতে ৰোমৰ বিজয় সম্বন্ধে ভৱিষ্যদ্বাণী কৰিছিল। লিখকে লিখিছে এই ভৱিষ্যদ্বাণী সংঘটিত হোৱাৰ ক্ষেত্ৰত অনেক দূৰত্ব আৰু অবিশ্বাসনীয় আছিল। অৰ্থাৎ কাফিৰ সকলে এয়া শুদ্ধ হৈ যোৱাৰ ক্ষেত্ৰত কেইবাটাও উটৰ বাজি লগাইছিল। মুছলমান আৰু কাফিৰ সকলৰ দীৰ্ঘ সময়ৰে পৰা এই ঘটনা সংঘটিত হোৱাৰ অপেক্ষা আছিল। শেষত কেইবা বছৰ পিছত জগতবাসীয়ে সিহঁতৰ (কাফিৰ সকলৰ) প্ৰত্যাশাৰ বিপৰীত ঘটনা দেখিবলৈ পালে।

ৰোমৰ বিনাশ ঘটাৰ ইতিহাসৰ লিখক এডৱাৰ্ড গবন হৰকলৰ কথা উল্লেখ কৰি লিখিছে যে ৰোমৰ বাদশাহ তেওঁৰ জীৱনৰ শেষ মুহূৰ্তত নুপুংসক বুলি প্ৰতীয়মান হৈছিল। হৰকলৰ শৰীৰত এনেকুৱা ভয়াবহ পৰিৱৰ্তন ঘটিছিল যে ৰোমৰ ইতিহাসবিদ সকলে ইয়াৰ বিৱৰণত অদ্ভুত অদ্ভুত কথা লিখিছে। কিন্তু গবনে লিখিছে তেওঁ (হৰকলে)কি জানে যে এই ৰক্তাত্ব যুদ্ধৰ পৰা অনেক দূৰ ৰোমৰ সহায়ৰ বাবে এজন পয়গম্বৰৰ হাত আছিল। তেখেত এই বিপ্লৱ আৰু পৰিৱৰ্তনৰ সকলোতকৈ ডাঙৰ আধ্যাত্মিক কাৰণ আছিল। মুছতদৰিক আৰু জামে তিৰমিজিত আছে যে ৰোম আৰু ফাৰিছৰ যুদ্ধ যেতিয়া সংঘটিত হয় তেতিয়া পৌত্তলিক সকলে ইৰাণৰ সমৰ্থন কৰিছিল কাৰণ সিহঁতেও মূৰ্তি পূজাৰী আছিল। মুছলমান সকল ৰোমৰ সমৰ্থন কৰিছিল কাৰণ সিহঁত আহলে কিতাব (ইহুদী আৰু খ্ৰীষ্টান) আছিল। তেতিয়া হৰকল যুদ্ধৰ বাদশাহ হৈ যায়। আৰবৰ নবী (ছাঃ)ৰ ভৱিষ্যদ্বাণী হুবহু পূৰ্ণ হয়। সেই সময়ছোৱাত যেতিয়া মুছলমান সকলে বদৰৰ যুদ্ধত কাফিৰ সকলক পৰাজয় কৰিছিল তেতিয়া ৰোমী সকলে ইৰাণক পৰাস্ত কৰিছিল।

কিছুমান যুৱক আৰু যুৱক বয়সত খোজ ৰখা সকলে মৌলৈ পত্ৰ লিখে যে কেনেকৈ জানিব পাৰিম যে ইছলাম সত্য ধৰ্ম আৰু আঁহজৰত (ছাঃ) সত্য নবী হয়। ইয়াৰ পৰিৱেশে সিহঁতৰ ওপৰত প্ৰভাৱ পেলাব ধৰিছে যাৰ ফলত সিহঁতৰ মাজত ইছলামৰ সত্যতাৰ ওপৰত সন্দেহ সৃষ্টি হ'ব ধৰিছে। সিহঁতে অইনৰ ওপৰত হোৱা ইছলামৰ প্ৰভাৱ আৰু কোৰাণ কৰিমৰ ভৱিষ্যদ্বাণীৰ ফালে দৃষ্টি নিক্ষেপ কৰা উচিত।পিতৃ-মাতৃয়ে নিজেও পঢ়িব আৰু সন্তান-সন্ততিক দেখুৱাব যে এয়া ইছলামৰ সত্যতাৰ দলিল হয়। পিতৃ-মাতৃ আৰু

আৰু যুৱক-যুৱতী সকলে নিজৰ জ্ঞান বৃদ্ধি কৰা উচিত। কেৱল প্ৰশ্ন উত্থাপন কৰাটোৱে যথেষ্ট নহয়, প্ৰশ্ন উত্থাপন কৰিছে যদি তাৰ উত্তৰ বিচাৰি নিজৰ জ্ঞান বৃদ্ধি কৰিব। আমাৰ তনজিমেও (খুদ্দাম ,আনছাৰ, লাজনা ইত্যাদি) এই সন্দৰ্ভত জ্ঞান দিয়া উচিত।

ইতিহাস অনুযায়ী এয়া প্ৰতীয়মান যে ৬০৯ খ্ৰীষ্টাব্দত তেখেত (ছাঃ)য়ে আল্লাহৰ ফালৰ পৰা প্ৰেৰিত হোৱা বুলি দাবী কৰে। ৬১০ খ্ৰীষ্টাব্দত ৰোম আৰু ফাৰিছৰ মাজত যুদ্ধৰ সূচনা আৰম্ভ হয়। ৬১৩ খ্ৰীঃ যুদ্ধৰ ঘোষণা হয়। ৬১৪ খ্ৰীঃ ৰোমৰ পৰাজয় আৰম্ভ হয়। ৬১৬ খ্ৰীঃ ৰোম সম্পূৰ্ণৰূপে পৰাজয় হয়। ৬২২ খ্ৰীঃ ৰোমী সকলে আকৌ আক্ৰমণ আৰম্ভ কৰে। ৬২৩ খ্ৰীঃ ৰ পৰা সিহঁতৰ সফলতা দেখা দিয়ে। ৬২৫ খ্ৰীষ্টাব্দত সিহঁতৰ বিজয় লাভ হয়। এই ক্ৰম অনুযায়ী চালে ভৱিষ্যদ্বাণীৰ বৈশিষ্ট এয়া দেখিবলৈ পোৱা যায় যে পৰাজয়ৰ আৰম্ভণীৰ পৰা বিজয়ৰ শেষ লৈকে যোগ দিলে ন বছৰ হয়। যদি পৰাজয়ৰ অন্তৰ পৰা লৈ বিজয়ৰ আৰম্ভণীলৈ চোৱা হয় তেতিয়াও ন বছৰ  হয়। এই বিজয়ৰ পিছত হৰকল আকৌ বিলাসীতাত লিপ্ত হৈ বিলাসীতা কায়ছৰ হৈ যায়। এনেকুৱা বোধ হৈছিল যে খোদা তা'লাৰ হস্তই কেইবা বছৰৰ বাবে তেওঁৰ মস্তিষ্কক সজাগ কৰি দিছিল। ভৱিষ্যদ্বাণীৰ পিছত বিলাসীতাত আৰু অলসতাৰ বিছনাত শুৱাই দিছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আঁহজৰত (ছাঃ)ৰ যুগত ইৰাণী লোক সকল পৌত্তলিক আছিল। আৰু ৰোমৰ সম্ৰাট কেয়চৰ একত্ববাদীৰ বিশ্বাসী আছিল। মছীহক আল্লাহৰ পুত্ৰ বুলি অস্বীকাৰ কৰিছিল। ইয়াৰ ওপৰতে এই আয়াত অৱতীৰ্ণ হৈছিল।

আকৌ কৈছে এতিয়া গভীৰ চিন্তা-ভাৱনা কৰি চোৱা এয়া কেনে আশ্চৰ্যমূলক ভৱিষ্যদ্বাণী আছিল এনে সময়ত এই ভৱিষ্যদ্বাণী কৰা হৈছিল যেতিয়া মুছলমান সকলৰ অৱস্থা দুৰ্বল আছিল আৰু ভয়াবহতাৰ মাজত আছিল। মুছলমান সকলৰ কোনো অস্ত্ৰ নাছিল, শক্তিও নাছিল এনে অৱস্থাত বিৰুদ্ধবাদী সকলে কৈছিল যে ইছলামৰ অতি সোনকালে অন্ত পৰিব। কয়েদৰ সীমাও নিৰ্দিষ্ট কৰি দিলে আৰু **ইয়াউমায়িজিন ইয়াফৰাহুল মুমিনুন** কৈ দ্বিতীয় ভৱিষ্যদ্বাণী বনাই দিলে। অৰ্থাৎ যিদিনা ৰোমী সকলে ফাৰিছ সকলৰ ওপৰত বিজয় লাভ কৰিব সেইদিনা মুছলমান সকলেও সাফল্যমণ্ডিত হৈ আনন্দ উপভোগ কৰিব। অৰ্থাৎ যেনেকুৱা এই ভৱিষ্যদ্বাণী আছিল ঠিক সেইদৰেই বদৰৰ দিনা এই ভৱিষ্যদ্বাণী পূৰ্ণতা লাভ কৰে। এফালে ৰোমী সকলে বিজয় লাভ কৰে আনফালে মুছলমান সকলে বিজয় লাভ কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এই বিষয় সমূহ অব্যাহত থাকিব ইনশা আল্লাহ পৰৱৰ্তীত বৰ্ণনা কৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে অৱশেষত মাননীয় ফাৰাছ আলী আব্দুল ওৱাহিদ চাহাব ইউ.কে ৰ মৃত্যুত তেখেতৰ সদগতি বৰ্ণনা কৰি জামাতী সেৱা আগবঢ়োৱাৰ কথা উল্লেখ কৰে আৰু নামাজৰ পিছত নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَاۤ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰه رحمكم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844